বিষয়ে বিদ্বৎ তথা শিক্ষা সচেতন মহলৰ জ্ঞাত। পিছে এই আঁচনিখনেৰে এনে কিছুসংখ্যক উচ্চ মাধ্যমিক বিদ্যালয়ৰ সৈতে ওচৰৰ কিছুমান প্ৰাথমিক বিদ্যালয় একত্ৰীকৰণ হৈছে যদিও স্কুল কমপ্লেক্স হ'ব পৰাকৈ সেইবোৰত উচ্চতৰ মাধ্যমিক শাখা নাই। সেয়েহে স্কুল কমপ্লেক্স কৰিব পৰাকৈ এনে বিদ্যালয়বোৰকো উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা উচিত।

নতুন শিক্ষানীতি, ২০২০ চনত সন্নিৱিষ্ট স্কুল কমপ্লেক্স আঁচনিখন সফলকাম হোৱাটো আশা কৰিব পাৰি যদিহে ই একে চৌহদতে একে কৰ্তৃপক্ষৰ অধীনত প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি মাধ্যমিক পৰ্যায়লৈকে একাদিক্ৰমে উন্নীত হোৱা ব্যক্তিগত খণ্ডৰ মাধ্যমিক বিদ্যালয়ৰ দৰে হয়। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষাৰ গুণগত মান আৰু পৰীক্ষাৰ ফলাফল চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ তুলনাত উন্নত হোৱাৰ ইয়ো এটা কাৰণ বুলি এচাম বিদ্বৎ তথা শিক্ষা সচেতন মহলে মত ব্যক্ত কৰে। তৎসত্বেও, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ষাণ্মাসিক পদ্ধতিৰ প্ৰৱৰ্তন কৰাৰ দৰে চৰকাৰী খণ্ড আৰু ব্যক্তিগত খণ্ডৰ মাধ্যমিক বিদ্যালয়সমূহতো নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ষাণ্মাসিক পদ্ধতিৰ প্ৰৱৰ্তন কৰিবলৈ হ'লে বিদ্যালয়সমূহক স্কুল কমপ্লেক্সলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়োজন হ'ব। আমাৰ ৰাজ্যখনৰ কিছুসংখ্যক প্ৰাথমিক বিদ্যালয় ইতিমধ্যে একত্ৰিত হোৱা নৱম-দশম শ্ৰেণীযুক্ত উচ্চ মাধ্যমিক বিদ্যালয়বোৰক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰি সেইবোৰক স্কুল কমপ্লেক্স কৰাৰ প্ৰয়োজন হ'ব। সেইদৰে একাদশ-দ্বাদশ শ্ৰেণীযুক্ত কনিষ্ঠ মহাবিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ লগত সংলগ্ন হৈ থকা একাদশ-দ্বাদশ শ্ৰেণীসমূহ বিলুপ্ত কৰি সেইবোৰ ওচৰৰ স্কুল কমপ্লেক্সবোৰত থকা ক্ৰমে একাদশ আৰু দ্বাদশ শ্ৰেণীৰ সৈতে চামিল কৰাৰ প্ৰয়োজন হ'ব। এইসকলোখিনি কৰাৰ পাছত প্ৰাক-প্ৰাথমিকৰ পৰা দ্বাদশ শ্ৰেণীলৈকে থকা স্কুল কমপ্লেক্সবোৰত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে শৃংখল পদ্ধতিত ষাণ্মাসিক পদ্ধতি প্ৰৱৰ্তন কৰিব পৰা হ'ব।

ঠিকনা ঃ শেৱালি পথ, বাসগৃহ নম্বৰ-৩৬, হাতীগাঁও, গুৱাহাটী-৭৮১০৩৮, ফোন ঃ ৯৪৩৫১০৮৫৪৭

# বিকল্প মূল্যায়ন আৰু শিক্ষাৰ্থীৰ ভৱিষ্যৎ

**ৰাজিদুৰ ৰহমান**

‘বিকল্প মূল্যায়ন পদ্ধতি’ৰে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল ওলোৱাৰ পাছত ৰাজ্যজুৰি শিক্ষাৰ্থী আৰু অভিভাৱকৰ যি প্ৰতিক্ৰিয়া হৈছে, তাৰ প্ৰতি বিদ্বৎ সমাজ আৰু ছেবা তথা চৰকাৰী কৰ্তৃপক্ষই যিধৰণে গুৰুত্ব প্ৰদান কৰিব লাগিছিল, এই পৰ্যন্ত তেনেধৰণে কৰা নাই যেন অনুভৱ হয়। বেছিভাগ ‘ভাল’ ছাত্ৰ-ছাত্ৰীৰ অভিযোগ—পৰীক্ষা দিয়া হ'লে তেওঁলোকে আৰু অধিক উন্নত ফলাফল অৰ্জন কৰিব পাৰিলেহেঁতেন। আনহাতে অনুত্তীৰ্ণ একাংশ অভিযোগ—তেওঁলোকক ১/২ নম্বৰত অকৃতকাৰ্য কৰাই দিয়া হৈছে, গ্ৰেছ মাৰ্ক দিয়া হোৱা নাই আৰু ছেবাই যি ‘বিশেষ পৰীক্ষা’ৰ কথা ঘোষণা কৰিছে, সেই পৰীক্ষাত কম্পাৰ্টমেণ্টেল (১-৩টা বিষয়ৰ) নাইবা বেটাৰমেণ্ট পৰীক্ষাৰ সুবিধা নাই।

এতিয়া কথা হ'ল, তুলনামূলকভাৱে সামান্য দুৰ্বল (অধ্যয়নত) ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা দিবলৈ সুবিধা পোৱা হ'লে অভিভাৱকৰ আৰু বিদ্যালয়ৰ চেষ্টাত উত্তীৰ্ণ হৈ গ'লহেঁতেন, তেনে ছাত্ৰ-ছাত্ৰীসকল বিপাঙত পৰিছে। মাত্ৰ ১/২ নম্বৰৰ ব্যৱধানত এটা বা দুটা বিষয়ত অনুত্তীৰ্ণ হোৱা এইসকল ছাত্ৰ-ছাত্ৰী ছটা বিষয়ত পৰীক্ষা দিবলৈ মানসিকভাৱে সাজু নহয়। এই সম্পৰ্কত ব্যক্তিগতভাৱে আমি ‘ছেবা’ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰাত জানিব পাৰিলোঁ যে ‘অসন্তুষ্ট’ আৰু অনুত্তীৰ্ণ সকলো ছাত্ৰ-ছাত্ৰীয়েই ইচ্ছা কৰিলে ইতিমধ্যে ঘোষণা কৰা ‘বিশেষ পৰীক্ষা’ত অৱতীৰ্ণ হ'ব পাৰিব। এইবাৰ ছেবাই কম্পাৰ্টমেণ্টেল বা বেটাৰমেণ্টৰ ব্যৱস্থা ৰখা নাই। ছটা বিষয়তে পৰীক্ষাত বহিব লাগিব! পৰীক্ষাৰ পাঠ্যক্ৰম ১০০ নম্বৰৰ হ'ব বুলি জনালে যদিও পৰীক্ষা কেতিয়া হ'ব তেওঁলোকে ক'ব নোৱাৰিলে।

শিক্ষাৰ্থীৰ মানসিক অৱস্থা অনুভৱ নকৰি এইদৰে একপক্ষীয়ভাৱে এটা ‘বিশেষ পৰীক্ষা’ ঘোষণা কৰিয়েই যদি চৰকাৰৰ মন্ত্ৰী, বিষয়া আৰু সংশ্লিষ্ট পৰিষদ বহি থাকে তেন্তে উত্তীৰ্ণ হৈয়ো অসন্তুষ্ট আৰু অনুত্তীৰ্ণ একাংশ শিক্ষাৰ্থীৰ বাবে কৰিবলগীয়া কাম কৰিব কোনে, বা পালন কৰিব লগা নৈতিক দায়িত্ব পালন কৰিব কোনে?

বিগত ফেব্ৰুৱাৰি, মাৰ্চ মাহত উক্ত দুয়োটা পৰীক্ষা অনুষ্ঠিত কৰাৰ সুবিধা থকা সত্বেও নপতাৰ ফলত বিকল্প মূল্যায়ন পদ্ধতিৰে উত্তীৰ্ণসকলে যেনেকৈ (চৰকাৰীভাৱে ঘোষিত) ‘পূৰ্বৰ পৰীক্ষা দি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সমপৰ্যায়ৰ নহয়’ বুলি এটা মানসিক ছাপ বৈ ফুৰিবলগীয়া হ'ল, একেদৰে ৰাজ্যখনত এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিগত বছৰতকৈ আশী হাজাৰৰো বেছি ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱাৰ ফলত একাদশ শ্ৰেণীত নামভৰ্তিৰ বাবে শিক্ষানুষ্ঠানসমূহত আসন নোহোৱাত বিষম সমস্যাৰ সৃষ্টি হ'ল। একেদৰে উচ্চতৰ শিক্ষান্ত পৰীক্ষাত এইবছৰ পূৰ্বৰ বছৰতকৈ চল্লিছ হাজাৰতকৈ বেছি উত্তীৰ্ণ হোৱাত স্নাতক শ্ৰেণীত নামভৰ্তিৰ ক্ষেত্ৰত অভাৱনীয় সংকটৰ সৃষ্টি হৈছে। অনুত্তীৰ্ণসকল পৰীক্ষা দি উত্তীৰ্ণ হ'লে এই বিপদ আৰু ঘনীভূত হ'ব। কিন্তু আগন্তুক শিক্ষাবৰ্ষ যদি ছেপ্টেম্বৰ/অক্টোবৰত আৰম্ভ হয়, তেন্তে এই অনুত্তীৰ্ণসকলে কেতিয়া পৰীক্ষা দি কেতিয়া ফলফল পাব আৰু কেতিয়া উচ্চ শিক্ষাৰ বাবে নামভৰ্তি কৰিব পাৰিব তাৰ পূৰ্ব আঁচনি ছেবা, সংসদ আৰু চৰকাৰী কৰ্তৃপক্ষই ল'ব নালাগিব জানো?

আলোচনা অধিক দীঘলীয়া নকৰি প্ৰস্তাৱিত ‘বিশেষ পৰীক্ষা’ আৰু নামভৰ্তি আদি সম্পৰ্কত আমি ঢুকি পোৱা দুটামান সংকটমোচনৰ উপায় উল্লেখ কৰিব খুজিছোঁ। জিলা পৰ্যায়ত যিসমূহ অভিযোগ নিষ্পত্তিকাৰী সমিতি একোজন অতিৰিক্ত উপায়ুক্তৰ (শিক্ষা) নেতৃত্বত গঠন কৰি দিয়া হৈছে, সেই সমিতিসমূহে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলক লৈ সমস্যাৰ উদ্ৰেক হোৱা বিদ্যালয়বিলাকৰ মুৰব্বী আৰু শিক্ষকৰ পৰা প্ৰকৃত তথ্য জানি লৈ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সমাধানসূত্ৰ উলিয়াওক। আনহাতে যদি ‘বিশেষ পৰীক্ষা’ এটা অনুষ্ঠিত কৰিব পাৰেই, তেন্তে ইচ্ছুক উত্তীৰ্ণ, অনুত্তীৰ্ণসকলৰ বাবেও (এটা/দুটা পৰীক্ষা দিয়াৰ সুবিধাৰ বাবে) কম্পাৰ্টমেণ্টেল আৰু বেটাৰমেণ্ট পৰীক্ষা অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰক। পৰীক্ষাৰ্থীৰ সংখ্যা চাই অন্য বিদ্যালয়ৰ শিক্ষকক নিৰীক্ষকৰ দায়িত্ব দি নিজ নিজ বিদ্যালয়তে এই পৰীক্ষণ শীঘ্ৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লওক আৰু অনতিপলমে স্পষ্ট আৰু সম্পূৰ্ণ (প্ৰায়বোৰ বিভাগীয় বিজ্ঞপ্তি অস্পষ্ট আৰু অসম্পূৰ্ণ) নীতি-নিৰ্দেশনা জাৰী কৰক।

আনহাতে একাদশ শ্ৰেণীৰ নতুন নামভৰ্তিৰ বাবে ইচ্ছুক সকলো হাইস্কুলকে (চৰকাৰী/ব্যক্তিগত) এই বছৰ সুবিধা দিয়াৰ যি ঘোষণা চৰকাৰীভাৱে কৰিছে, সি আদৰণীয়। কেৱল ‘ৰঙাফিটাৰ মেৰপাক’ নাৰাখি চৰ্তসাপেক্ষে চৰকাৰী অনুমোদন আৰু ‘সংসদ’ৰ অনুমতি পৰৱৰ্তী সময়ত পোনপটীয়া কৰি দিলে আমি ভাবোঁ বহু উপযুক্ত আন্তঃগাঁথনি থকা চৰকাৰী-বেচৰকাৰী বিদ্যালয় আগবাঢ়ি আহিব আৰু দুয়োকুল বাচিব। আশা কৰিছোঁ শিক্ষক আৰু ছাত্ৰ সংস্থাসমূহে এই বিষয়ত অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব।

ঠিকনা ঃ ন-পুৰ, শান্তিপুৰ-৭৮৫৬২১, গোলাঘাট, ফোন ঃ ৯৪৩৫৫২৬৯৬১